25

নাম-কংকণা জ্যোতি বৰুৱা

শ্ৰেণী- পঞ্চম

ৰোল নং-7

বিষয়:-

বৰমা উত্তৰ বজাৰ প্ৰাথমিক বিদ্যালয়

# লাচিত বৰফুকন

লাচিত বৰফুকন আছিল অসমৰ এজন মহান দেশ ভক্ত বীৰ পুত্ৰ । তেওঁৰ দৰে আন এজন বীৰৰ উদাহৰণ অসমৰ ইতিহাসত পোৱা নাযায়। আহোম মোগলৰ মাজত সংঘটিত হোৱা শৰাইঘাটৰ যুদ্ধত তেওঁ যি ধৰণৰ দক্ষতা, দায়বদ্ধতা আৰু কাৰ্য ক্ষমতাৰ পৰিচয় দিছিল সেয়ে তেওঁৰ নাম অসমৰ ইতিহাসত অমৰ কৰি থৈ গৈছে। এই জনা বীৰ সন্তানৰ জন্ম হৈছিল 1622 খ্ৰীঃ ত গড় গাঁৱৰ গড়গাওঁৰ উচৰত । তেওঁৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। লাচিত তেওঁৰ পিতৃ-মাতৃৰ চতুৰ্থ তথা কনিষ্ঠ সন্তান আছিল । লাচিত সৰুৰে পৰা অতি নিৰ্ভীক, সৎ আৰু স্পষ্টবাদী আছিল । তেওঁৰ পিতৃ আহোম ৰজাৰ বৰবৰুৱা পদবীত থকা বাবে তেওঁ সৰুৰে পৰাই তেওঁৰ পিতৃৰ কাম-কাজ তথা বিভিন্ন আত্মীয়া সকলৰ সৈতে হোৱা আলোচনা বোৰ প্ৰত্যক্ষ কৰা সুবিধা লাভ কৰিছিল আৰু এইবোৰৰ পৰা তেওঁ বহুতো জ্ঞান তথা অভিজ্ঞতা আহৰণ কৰিছিল ।

১৬৬৭ চনত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হৈছিল। এইবাৰো লাচিতে তেওঁৰ বীৰত্ব পৰিচয় দি মোগল সৈন্যক মানাহ নদীপাৰ কৰি খেদি পঠিয়াইছিল। অসমীয়া সকলৰ হাতত হেৰুৱা মোগলৰ এই পৰাজয়ৰ কথা সহ্য কৰিব নোৱাৰি এইবাৰ মোগলৰ সম্ৰাট ~~ঔৰং~~ ঔৰংজেবে সেনাপতি ৰামসিংহক অসম আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰিছিল। মোগলৰ বিশাল সৈন্য বাহিনী দেখিও লাচিত বৰফুকনে অলপো বিচলিত নহৈ শত্ৰুৰ সৈতে পাৰাক্ৰমেৰে যুঁজ দিবলৈ অসমীয়া সৈন্যসকলক আহ্বান জনাইছিল আৰু সকলোকে নিজৰ কৰ্তব্যত অৱহেলা নকৰাৰ বাবে সকীয়নী দিছিল। তেওঁ উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত শত্ৰু সৈন্যক বাধা দিবলৈ এটা গড় নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল আৰু তাৰ চোৱা-চিতাৰ কাম তেওঁৰ এজন মোমায়েকক প্ৰদান কৰিছিল। কিন্তু গড় নিৰ্মাণৰ কাম পিছ পৰি থকাত গড় নিৰ্মাণ স্থলীত তেওঁ মোমায়েকক শিৰচ্ছেদ কৰি দেশতকৈ মোমাই ডাঙৰ নহয় বুলি কৈ নিজ দেশভক্তিৰ পৰিচয় দিছিল। তেওঁৰ এই উগ্ৰমূৰ্তি দেখি সকলো বৰ শংকিত হৈছিল আৰু দুগুণ শক্তিৰে কাম কৰি ৰাতিৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰি মোগল সৈন্যক বাধা দিছিল। ইয়াতেই ১৬৭১ চনৰ মাৰ্চত আহোম মোগলৰ শেষ যুদ্ধ তথা

ইতিহাস প্ৰসিদ্ধ।

শৰাই ঘাটৰ ৰণ সংঘটিত হৈছিল য'ত লাচিত বৰফুকনৰ সমৰ কৌশলতৰ আগত বিশাল মোগল বাহিনী পৰাস্ত হৈছিল। এই যুদ্ধৰ সময়ত লাচিত বৰফুকন তীব্ৰ জ্বৰত ভুগিছিল যদিও তেওঁ নিৰিয়া দেহৰ কথা পাহৰি দেশ ৰক্ষা কৰাৰ বাবে কঠোৰ স্থিতি গ্ৰহণ কৰিছিল আৰু প্ৰবল পৰাক্ৰমেৰে যুজি দেশ ৰক্ষা কৰিছিল। শৰাই যুদ্ধৰ কিছুদিনৰ পিছত গুৱাহাটীত লাচিত বৰফুকনৰ মৃত্যু হৈছিল। এনে এজন তুলনা বিহীন দেশপ্ৰেমীক বীৰৰ বীৰত্বৰ কথাই প্ৰতিজন অসমীয়াৰে বীৰৰ বীৰত্বৰ কথাই প্ৰতিজন অসমীয়াৰে মনত সদায় দেশ প্ৰেমৰ ভাব জাগ্ৰত কৰি থাকিব।

নাম - কংকন জ্যোতি বৰুৱা

শ্ৰেণী - পঞ্চম

বিদ্যালয়ৰ নাম = বৰমা উত্তৰ কন্যাৰ প্ৰাথমিক বিদ্যালয়

ৰোল নং - ৩